অসম

ডিমা হাছাওত চূণশিলৰ খননৰ পৰা বছৰি ১,০১৪ কোটি টকা লাভৰ সম্ভাৱনা: মুখ্যমন্ত্রী

ডিমা হাছাও স্বায়ত্তশাসিত পৰিষদে চূণশিল খননৰ পৰা বছৰি প্ৰায় ১,০১৪ কোটি টকা পাব পাৰে বুলি মুখ্যমন্ত্রী হিমন্ত বিশ্ব শৰ্মাই জনাইছে। ১৩টা ব্লকৰ নিলামৰ পৰা পাঁচ দশকত ৮৪,৫০০ কোটি টকা আহিব বুলি ধৰা হৈছে যদিও চুক্তিৰ সবিশেষ, খনন আৰম্ভৰ সময় আৰু স্থানীয় সুৰক্ষাৰ তথ্য এতিয়াও প্ৰকাশ পোৱা নাই।

প্ৰকাশ: ২ নৱেম্বৰ ২০২৬, আবেলি ৬:১১



(NewzNow)

ৱাহাটী, ২ নৱেম্বৰ: ডিমা হাছাও জিলাৰ চূণশিলৰ খননৰ পৰা ডিমা হাছাও স্বায়ত্তশাসিত পৰিষদে বছৰি প্ৰায় ১,০১৪ কোটি টকা ৰাজহ লাভ কৰিব বুলি দাবী কৰিছে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শৰ্মাই। সোমবাৰে সামাজিক মাধ্যমৰ জৰিয়তে মুখ্যমন্ত্রীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি, জিলাখনৰ ১৩টা চূণশিলৰ ব্লক আগশাৰীৰ চিমেণ্ট কোম্পানীক নিলাম কৰা হৈছে।

মুখ্যমন্ত্রীৰ হিচাপ অনুসৰি, এই নিলামৰ পৰা অহা ৫০ বছৰত প্ৰায় ৮৪,৫০০ কোটি টকা ৰাজহ আহৰণৰ সম্ভাৱনা আছে। অৰ্থাৎ বছৰি গড়ে প্ৰায় ১,৬৯০ কোটি টকা ৰাজহ আহিব পাৰে। ইয়াৰ ৬০ শতাংশ, অৰ্থাৎ বছৰি প্ৰায় ১,০১৪ কোটি টকা পোনপটীয়াকৈ ডিমা হাছাও স্বায়ত্তশাসিত পৰিষদে লাভ কৰিব বুলি তেওঁ উল্লেখ কৰিছে।

এই ব্যৱস্থাক পৰিষদখনৰ বিত্তীয় স্বায়ত্তশাসন শক্তিশালী কৰাৰ পদক্ষেপ বুলি অভিহিত কৰিছে মুখ্যমন্ত্রীয়ে। তেওঁৰ মতে, খনিজ সম্পদৰ পৰা আহৰণ কৰা ৰাজহৰ এটা বৃহৎ অংশ পোনপটীয়াকৈ স্থানীয় পৰিষদে লাভ কৰিলে উন্নয়নমূলক কাম-কাজৰ বাবে ৰাজ্য বা কেন্দ্রীয় চৰকাৰৰ ওপৰত নির্ভৰশীলতা হ্রাস পাব।

ডিমা হাছাওৰ অতীতৰ উগ্রপন্থী সমস্যা আৰু সংঘাতৰ প্রসংগ উল্লেখ কৰি মুখ্যমন্ত্রীয়ে কয় যে স্থানীয় প্রতিষ্ঠানসমূহে ৰাজহৰ অংশ লাভ কৰিলে থলুৱা অঞ্চলতো ব্যৱসায় আৰু অর্থনৈতিক বিকাশে ইতিবাচক প্রভাৱ পেলাব পাৰে। থলুৱা অঞ্চলত বাণিজ্যিক কাম-কাজৰ বিৰোধিতা কৰা লোকসকলকো তেওঁ সমালোচনা কৰে।

অৱশ্যে, ১,০১৪ কোটি টকাৰ পৰিমাণটো বর্তমানৰ নিশ্চিত বার্ষিক ৰাজহ নহয়। মুখ্যমন্ত্রীয়ে প্রকাশ কৰা ৫০ বছৰীয়া সম্ভাব্য ৰাজহৰ হিচাপৰ ভিত্তিত এই পৰিমাণ নির্ধাৰণ কৰা হৈছে। প্রকৃত ৰাজহ খনন কার্যৰ অগ্রগতি, উৎপাদন আৰু ৰাজহ সংগ্রহৰ ওপৰত নির্ভৰ কৰিব।

উল্লেখ্য, ডিমা হাছাওৰ উমৰাংছু’ অঞ্চলত চূণশিলৰ খনন আৰু চিমেণ্ট উদ্যোগ স্থাপনৰ পৰিকল্পনাক লৈ পূর্বৰে পৰা চর্চা চলি আহিছে। উদ্যোগ স্থাপনৰ সম্ভাব্য লাভৰ লগতে ভূমি, বনাঞ্চল, জলসম্পদ আৰু পৰিৱেশৰ ওপৰত ইয়াৰ প্রভাৱক লৈও বিভিন্ন পক্ষই উদ্বেগ প্রকাশ কৰি আহিছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/453/dima-hasao-limestone-mining-revenue-dhac